**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ যথাবিহিত ৰীতি-নীতিৰে আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পূজা মণ্ডপসমূহ ভিন ভিন বিষয় লৈ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শাৰদীয় দুৰ্গা পূজা উপলক্ষে অসমৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে দুৰ্গা পূজা উদযাপনে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় সাব্যস্ত কৰাৰ কথাকে প্ৰতীয়মান কৰে। ৰাজ্যপালগৰাকীয়ে পৰিৱেশৰ হানি নকৰাকৈ সকলো লোককে পূজাৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্গোৎসৱৰ উপলক্ষে দিয়া বাৰ্তাত কয় যে বৈদিক যুগৰে পৰা প্ৰচলিত দুৰ্গা পূজাই মূল্যবোধ তথা মানৱতাবোধৰ আঁধাৰত আগুৱাই যাবলৈ সকলোকে অনুপ্ৰাণিত কৰে। অপশক্তি নাশৰ দ্বাৰা শক্তিৰূপা দুৰ্গতিনাশিনী দেৱীয়ে শুভ শক্তিক প্ৰতিষ্ঠা কৰাটোৰে প্ৰতীকিভাৱে অসত্যৰ বিপৰীতে সত্যৰ জয় সুনিশ্চিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ড° শৰ্মাই আজি **কামৰূপ মহানগৰ** জিলাৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ পূজাৰ কাৰ্যসূচীত অংশ লয়। তেওঁ আজাৰা, কাঁহিকুছি আৰু পাটগাঁৱৰ দুৰ্গাপূজাথলীত উপস্থিত হয়।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি ষষ্ঠী পূজাৰ দিনাই পূজাথলীসমূহত বহুলোকৰ সমাগম হৈছে। ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **তিনিচুকীয়া** জিলাৰ চলিহা বৰদলৈ নগৰত দুৰ্গা পূজা থলীত উপস্থিত হোৱাৰ লগতে জিলাখনৰ দাহাল বাবা মন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ জিলাখনৰ মানৰ কল্যাণ পূজা ভৰনত ৰাইজৰ সৈতে মত বিনিময় কৰে। তিনিচুকীয়া জিলাত পূজাৰ আয়োজন সম্পৰ্কত জিলাখনৰ পৰা আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণে এইদৰে কয়।

(ভইচ)

ooooo

কেন্দ্ৰীয় পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ অধ্যক্ষতাত আজি ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। এই বৈঠকত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ বাবে আগবঢ়োৱা বিশেষ সাহায্যৰ বিষয়ে আলোচনা কৰা হয়। ৰাজ্যসমূহৰ বিখ্যাত পৰ্যটনস্থলীসমূহ বিশ্বমানলৈ উন্নীত কৰি বহনক্ষম পৰ্যটনৰ যোগেদি স্থানীয় লোকৰ নিযুক্তি সৃষ্টি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰী শ্ৰী মল্লবৰুৱাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে। তেওঁ কয় যে, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ এই প্ৰচেষ্টাৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

oooooooo

অসম ডাক পৰিমণ্ডলে ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন কৰিছে। অহা ১১ অক্টোবৰলৈ চলিবলগীয়া ডাক সপ্তাহ সন্দৰ্ভত অসম পৰিমণ্ডলৰ ডাক সেৱাৰ সঞ্চালক অভিষেক জৈনে কয় যে ডাক সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুসৰি আজি বিশ্ব ডাক

দিৱস, কাইলৈ অন্ত্যোদয়া দিৱস আৰু পৰহিলৈ বিত্ত সৰলীকৰণ দিৱস উদযাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় স্তৰত ডাক আদান-প্ৰদান কৰা ব্যৱস্থাক পৰিচালনা কৰা সাৰ্বজনীন ডাক সংঘৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ অন্যতম দিশ বুলি উল্লেখ কৰি সঞ্চালকগৰাকীয়ে অসমৰ জনসাধাৰণক ডাক ঘৰৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ডাক বিভাগে চিঠি-পত্ৰ, সামগ্ৰী আদান-প্ৰদানৰ উপৰি একাউণ্ট মুকলি কৰা, বীমা, আধাৰ কাৰ্ড, পাৰপত্ৰ আদিৰ সুবিধা প্ৰদান কৰিছে।

০০০০০০০

গোলাঘাট জিলাৰ আবকাৰী বিভাগে অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ কেইবাটাও স্থানত আবকাৰীৰ দলে অভিযান চলাই অবৈধ সুৰাৰ লগতে সুৰা প্ৰস্তুত কৰা সামগ্ৰী নষ্ট কৰে। অভিযানৰ সময়ছোৱাত আবকাৰী বিভাগে কেইবাজনো লোকৰ বিৰুদ্ধে ১০টা গোচৰ ৰুজু কৰিছে।

০০০০০০০

হিমাচল প্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ সিদ্ধান্ত গগৈয়ে সোণৰ পদকৰ লগতে অভিনৱ গগৈয়ে ৰূপ আৰু ইছাংফা গগৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ছিনিয়ৰ পুৰুষৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত সিদ্ধান্তই সোণৰ পদক জয় কৰে। আনহাতে যুৱ ল'ৰাৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত অভিনৱে ৰূপ আৰু ছোৱালীৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ইছাংফাই ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

**সমাপ্ত**